33T ADAS

# 2023

# ADVANCE ASSAMESE

## (NEW COURSE)

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* | 1×3 = 3 |
| *Q. No. 2 carries 4 marks* | 4×1 = 4 |
| *Q. No. 3 carries 4 marks* | 4×1 = 4 |
| *Q. No. 4 carries 3 marks each* | 3×3 = 9 |
| *Q. No. 5 carries 1 mark each* | 1×3 = 3 |
| *Q. No. 6 carries 6 marks* | 6×1 = 6 |
| *Q. No. 7 carries 3 marks each* | 3×2 = 6 |
| *Q. No. 8 carries 8 marks* | 8×1 = 8 |
| *Q. No. 9A carries 2 marks* | 2×1 = 2 |
| *Q. No. 9B carries 3 marks* | 3×1 = 3 |
| *Q. No. 9C carries 3 marks* | 3×1 = 3 |
| *Q. No. 10 carries 4 marks* | 4×1 = 4 |
| *Q. No. 11 carries 5 marks* | 5×1 = 5 |
| *Q. No. 12A carries 2 marks* | 2×1 = 2 |
| *Q. No. 12B carries 1 mark* | 1×1 = 1 |
| *Q. No. 12C carries 2 marks* | 2×1 = 2 |
| *Q. No. 13 carries 6 marks* | 6×1 = 6 |
| *Q. No. 14 carries 4 marks* | 4×1 = 4 |
| *Q. No. 15 A/B carries 6 marks* | 6×1 = 6 |
| *Q. No. 15 C carries 3 marks* | 3×1 = 3 |
| *Q. No. 15 D carries 1 mark* | 1×1 = 1 |
| *Q. No. 16 carries 6 marks* | 6×1 = 6 |
| *Q. No. 17 carries 6 marks* | 6×1 = 6 |
| *Q. No. 18 carries 1 mark each* | 1×3 = 3 |
| | Total = 100 |

*Contd.*

১। চমু উত্তৰ দিয়া *(যিকোনো তিনিটা)* ঃ  ১×৩=৩

(ক) কলিকালত কি ছয় হোৱাৰ কথা শংকৰদেৱৰ 'বৰ্ষা বৰ্ণন'ত উল্লেখ পোৱা যায়?

(খ) 'মানুহৰ নিজাপী ঘৰ' কোনখন বুলি কবিয়ে কৈছে?

(গ) কি পদৰ কাৰণে মহা হলাহল পান কৰাৰ কথা কোৱা হৈছে?

(ঘ) 'মোৰ গাঁও' কবিতাত উল্লেখ কৰা গাঁওখনৰ নাম কি?

২। (ক) কবি পৰিচয়সহ 'মানৱ বন্দনা' কবিতাটিৰ সাৰাংশ লিখাঁ।  ৪

*অথবা*

(খ) 'কাঞ্চনজংঘাৰ বুৰঞ্জী' কবিতাটিৰ প্ৰথম অংশত মহাদেৱৰ গুণ আৰু কাৰ্য কেনেকৈ কাঞ্চনজংঘাত আৰোপ কৰা হৈছে তোমাৰ ভাষাৰে লিখাঁ।  ৪

৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ. ঃ *(যিকোনো এছোৱা)*  ১+৩=৪

(ক) গ্ৰীষ্মত আছিল শুখাই ৰৌদ্ৰতাপ সহি।
বাৰিষা কালত দুনাই পুষ্ট ভৈল মহী।।

(খ) বিৰহ-কাতৰ মই, বিৰহত মৰোঁ দেই-পুৰি,
অ' মোৰ প্ৰাণৰ প্ৰিয়া, ক'ত যাম তোমাক বিচাৰি।

৪। তলৰ *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৩×৩=৯

(ক) 'বৰ্ষা বৰ্ণন' কাব্যাংশত কৃষ্ণ আৰু গোপগণৰ কাৰ্য-কলাপ কিদৰে বৰ্ণিত হৈছে লিখাঁ।

(খ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতা আৰু গীতৰ মূল সুৰ কি কি?

(গ) কবিয়ে দেখা কমাৰফদিয়া গাঁৱৰ তিনিটা পৰিৱৰ্তন লিখাঁ।

(ঘ) অসমীয়া নাট্য-সাহিত্যলৈ জ্যোতিপ্ৰসাদৰ অৱদান সম্পৰ্কে চমুকৈ লিখাঁ।

৫। চমু উত্তৰ লিখাঁ ঃ *(যিকোনো তিনিটা)* ১×৩=৩

(ক) ভাৰতীয়সকলৰ কি জ্ঞানৰ অভাৱ বুলি অভাৰতীয়সকলে কথন-মথন কৰে?

(খ) 'ধী-শক্তি' মানে কি?

(গ) গণেশচন্দ্ৰ হাজৰিকাই ছপোৱা বিহুবিষয়ক পুস্তিকাখনৰ নাম কি?

(ঘ) গোহালিৰ মুখত যাগ দিয়াৰ মূল কাৰণ কি বুলি লেখকে কৈছে?

৬। (ক) শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱন-দৰ্শনত কেনে ধৰণৰ পাৰ্থক্য থকা বুলি লেখকে উল্লেখ কৰিছে, আলোচনা কৰাঁ। ৬

*অথবা*

(খ) বিহুক ধৰ্মীয় অনুষ্ঠান বুলি কোৱাৰ যুক্তিযুক্ততা 'বহাগ বিহুৰ পৰম্পৰা' পাঠৰ আধাৰত প্ৰতিপন্ন কৰাঁ। ৬

৭। তলত দিয়া ***যিকোনো দুটাৰ*** বিষয়ে চমুকৈ লিখাঁ ঃ ৩×২=৬

(ক) আয়ুৰ্বেদ

(খ) অথৰ্ব বেদ

(গ) বাঁহী

৮। (ক) নদীকেন্দ্ৰিক উপন্যাস হিচাপে 'কপিলীপৰীয়া সাধু'ৰ মূল বৈশিষ্ট্যসমূহ উল্লেখ কৰি কপিলী নদীখনে কাহিনীৰ অগ্ৰগতিত কেনে ভূমিকা গ্ৰহণ কৰিছে তোমাৰ ভাষাত চমুকৈ লিখাঁ। ৪+৪=৮

*অথবা*

(খ) 'কপিলীপৰীয়া সাধু' উপন্যাসত স্বাধীনতা আন্দোলনৰ প্ৰভাৱ কেনেদৰে চিত্ৰিত হৈছে আলোচনা কৰাঁ। ৮

৯। (ক) 'ৰজাপোৱালী'ৰ দেশত কেইঘৰ ৰজা আছিল? তেওঁলোকে কি উপাধি লিখিছিল? ১+১=২

(খ) "...কপিলীৰ ল'ৰা কপিলীয়ে চিনি পায়; তুমি ভয়-চয় নকৰিবা।" — কোনে, কাক, কি প্ৰসংগত কৈছিল? ৩

(গ) 'গোসাঁই পুখুৰী'ৰ কেনেকৈ সৃষ্টি হৈছিল? ৩

১০। তলত দিয়া ***যিকোনো এজনৰ*** বিষয়ে চমুকৈ লিখাঁ ঃ ৪

(ক) বসু গোসাঁই

(খ) সোণপাহি

(গ) পিতৌ সাতোলা

১১। (ক) 'আমাৰ ছাৰ' গল্পত ছাৰৰ চৰিত্ৰটি কেনেদৰে বৰ্ণিত হৈছে নিজৰ ভাষাৰে চমুকৈ লিখাঁ। ৫

*অথবা*

(খ) বাপধনক কেন্দ্ৰ কৰি বাপেক-পুতেকৰ মাজত কেনেধৰণৰ কাজিয়াৰ সূত্ৰপাত হৈছিল, লিখাঁ। ৫

১২। (ক) যোগেশ দাসে ৰচনা কৰা এখন উপন্যাস আৰু এখন গল্প সংকলনৰ নাম লিখাঁ। ২

(খ) বলোৰাম মেধিৰ পুত্ৰ-সন্তান কেইজন আছিল? ১

(গ) প্ৰাচীন হৈ যাব পৰা পৃথিৱীৰ দুটা অথৰ্ব প্ৰতিনিধি কোন কোন? ২

১৩। উপন্যাস আৰু চুটিগল্পৰ মাজত পৰিলক্ষিত মিল-অমিলসমূহ দেখুৱাই এটি টোকা যুগুত কৰাঁ। ৬

১৪। তলৰ *যিকোনো এটাৰ* বিষয়ে চমুকৈ লিখাঁ ঃ ৪

(ক) উপন্যাসত ঔপন্যাসিকৰ জীৱন দৰ্শন

(খ) চুটিগল্পৰ বিশেষত্ব

(গ) সামাজিক উপন্যাস

১৫। (ক) শব্দালংকাৰ কাক বোলে? দুবিধ শব্দালংকাৰৰ সংজ্ঞাসহ উদাহৰণসহ দিয়া। ২+২+২=৬

*অথবা*

(খ) সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে উদাহৰণসহ এটি টোকা যুগুত কৰা। ৬

(গ) চমুটোকা লিখাঁ ঃ *(যিকোনো এটা)* ৩

(১) শ্লেষ; (২) উপমা

(ঘ) যমক *অথবা* অপ্ৰস্তুত প্ৰশংসা অলংকাৰৰ এটি উদাহৰণ দিয়া। ১

১৬। 'আৱাহন যুগ'ৰ যিকোনো এগৰাকী গল্পকাৰৰ পৰিচয়সহ তেওঁৰ গল্পৰ বিশেষত্বৰ বিষয়ে এটি নাতিদীৰ্ঘ আলোচনা আগবঢ়োৱাঁ। ৬

১৭। জোনাকী যুগৰ চাৰিগৰাকী ঔপন্যাসিকৰ নাম লিখাঁ। এই যুগৰ অসমীয়া উপন্যাসৰ মূল বৈশিষ্ট্যসমূহ কি কি? ২+৪=৬

১৮। চমু উত্তৰ দিয়া ঃ ১×৩=৩

(ক) ‘দন্দুৱা-দ্ৰোহ’ উপন্যাসখনৰ ৰচক কোন?

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ উপন্যাসখনৰ নাম কি?

(গ) ৰমা দাশৰ এখন গল্প সংকলনৰ নাম লিখাঁ।

———×———